জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৫৪৪/২০২০

**মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত 'আছাম ছ'চাইটি ফ'ৰ কম্প্ৰিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেম' পৰিচালনা সমিতিৰ বৈঠক অনুষ্ঠিত**

# সুপ্ৰশাসন আৰু উৎকৃষ্ট বিত্তীয় ব্যৱস্থাপনাৰ দিশত নিৰ্ভৰযোগ্য আৰু স্বচ্ছ ব্যৱস্থা গঢ়ি তোলাৰ বাবে বিত্ত বিভাগক প্ৰশংসা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**দিছপুৰ, ১৩ আগষ্ট ঃ** আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত আছাম ছ'চাইটি ফ'ৰ কম্প্ৰিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেম পৰিচালনা সমিতিৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰি মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিবসকল তথা ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ বিভাগসমূহৰ প্ৰধান সচিবকে ধৰি আয়ুক্ত সচিবসকলে অংশগ্ৰহণ কৰে। উক্ত বৈঠকত আছাম ছ'চাইটি ফ'ৰ কম্প্ৰিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ দ্বাৰা বৰ্তমানলৈকে ৰূপায়িত কাম-কাজসমূহৰ বিষয়ে আলোচনা কৰাৰ উপৰি ভৱিষ্যতে ছ'চাইটিৰ দ্বাৰা ল'বলগীয়া পদক্ষেপসমূহৰো পৰ্যালোচনা কৰা হয়। বৈঠকত আছাম ছ'চাইটি ফ'ৰ কম্প্ৰিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ সংশোধিক উপ-বিধি, আছাম ছ'চাইটি ফ'ৰ কম্প্ৰিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ অডিটকৃত বাৰ্ষিক হিচাপ-নিকাচ, পূৰ্বৰ কাৰ্যকৰী সমিতিৰ বৈঠকৰ সিদ্ধান্তসমূহৰ ৰূপায়ণৰ অগ্ৰগতি, এ এছ পি আই আৰ- ই [ASPIRe] ৰ পুনৰ গঠনৰ দিশসমূহো আলোচনা কৰা হয়। বৈঠকত এ এছ পি আই আৰ- ইৰ ৰাজহুৱা বিত্ত প্ৰতিষ্ঠানিক সক্ষমতা শক্তিশালীকৰণ, ব্যয় আৰু ৰাজহ তথ্য ব্যৱস্থাৰ শক্তিশালীকৰণ, নগদ আৰু ঋণ পৰিচালনা গোট, ৰাজহুৱা ক্ৰয় ইত্যাদিৰ বিষয়সমূহো খৰচি মাৰি আলোচনা কৰা হয়। বৈঠকত লগতে এই ছ'চাইটিৰ উদ্যোগত ল'বলগীয়া ভৱিষ্যতৰ পদক্ষেপসমূহৰ বিষয়েও বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে এই ছ'চাইটিৰ দ্বাৰা ৰূপায়িত বিভিন্ন বিভাগৰ অনলাইন ব্যৱস্থাৱলী তথা অন্যান্য বিভিন্ন দিশ সামৰি এক প্ৰেজেণ্টেশ্যনো আগবঢ়োৱা হয়।

বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বিত্ত বিভাগে ৰাজহ ব্যৱস্থাপনাকে ধৰি বিভিন্ন ব্যয় ইত্যাদিৰ স্বচ্ছতা প্ৰদানৰ বাবে এক নিৰ্ভৰযোগ্য আৰু স্বচ্ছ ব্যৱস্থা গঢ়ি তুলিছে। এই পদক্ষেপে সু-প্ৰশাসন আৰু বিত্তীয় ব্যৱস্থাপনাৰ উৎকৃষ্ট ব্যৱস্থাৱলী ৰাজ্যখনত উপলব্ধ কৰোৱাৰ দিশত বাৰুকৈয়ে সহায় কৰিছে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে বিত্ত বিভাগক ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি যিকেইটা বিভাগে এই অনলাইনৰ ব্যৱস্থাৱলী ৰূপায়ণৰ বাবে পদক্ষেপ লৈ আছে সেইখিনি অতি সোনকালে সম্পূৰ্ণ কৰাৰ পদক্ষেপ ল'বলৈও

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ট্ৰেন্সপাৰেঞ্চী ইণ্টাৰনেশ্যনেলৰ দ্বাৰা বেষ্ট প্ৰেকটাইচ ইন বাজেট ফৰ্মোলেশ্যন ইন ইণ্ডিয়াৰ দিশত অসমক শীৰ্ষ স্থান প্ৰদান কৰাৰ বাবে বিত্ত বিভাগক ধন্যবাদ জনায়। তেওঁ লগতে কয় যে এই কৃতকাৰ্যতাৰ ধাৰা আমি অক্ষুণ্ণ ৰাখিব লাগিব। তদুপৰি, আছাম ছ'চাইটি ফ'ৰ কম্প্ৰিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ বাবে বিশ্বজুৰি সমাদৃত কোৰিয়াৰ কে পি এফ আই এছ আৰু বিশ্ব বেংকৰ পৰা আই এফ এম আই এছ কাৰিকৰী সাহায্য লাভৰ বাবে অসমক ভাৰতৰ ভিতৰত একমাত্ৰ ৰাজ্য হিচাপে বাছনি কৰাৰ দিশটোৰ বাবেও মুখ্যমন্ত্ৰীয়ে সকলোকে আন্তৰিক অভিনন্দন জনায়।

বৈঠকত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ব্যৱস্থাৱলীত আগন্তুক দিনত নন টেক্স ৰেভিনিউ অন্তৰ্ভূক্ত কৰাৰ পদক্ষেপ লোৱাৰ বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ বিভাগক আহ্বান জনায়।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালীকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**১৩/০৮/২০২০**